# প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা (P.M.F.B.Y)

**সুৰক্ষিত কৰে আপোনাৰ ফচল, সুৰক্ষিত কৰে আপোনাৰ ভৱিষ্যৎ**

**এইচডিএফচি এৰ্গো জেনেৰেল ইঞ্চিওৰেন্স কোম্পানী লিমিটেডৰ জৰিয়তে**

HDFC ERGO
Take it easy!

প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা (পি.এম.এফ.বি.ৱাই) ৰ লক্ষ্য হৈছে, কৃষক বন্ধুসকলক প্ৰাকৃতিক দুৰ্য্যোগ, কীট আৰু বেমাৰৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱাৰ কাৰণে কোনো অধিসূচিত ফচলৰ বিফলতাৰ ক্ষেত্ৰত বীমা সংৰক্ষণ আৰু আৰ্থিক সহায়তা প্ৰদান কৰা।

এই ধৰণে এই যোজনাই কৃষকসকলৰ উপাৰ্জনক এক স্থিৰতা দিছে তথা তেওঁলোকক তেওঁলোকৰ খেতি অব্যাহত ৰখা আৰু খেতিৰ নতুন প্ৰণালী আৰু আধুনিক পদ্ধতি গ্ৰহণ কৰাৰ বাবে উৎসাহিত কৰিছে।

## কোনে ইয়াৰ লাভ ল’ব পাৰে?

সকলো কৃষকে, যি সকলৰ ভিতৰত অংশীদাৰ আৰু আধিয়াৰৰ ওপৰত অধিসূচিত ক্ষেত্ৰসমূহত অধিসূচিত ফচলৰ খেতি কৰা সকলো অন্তৰ্ভুক্ত, এই সংৰক্ষণৰ যোগ্য। কিন্তু কৃষকসকলৰ অধিসূচিত / বীমাকৃত ফচলৰ ওপৰত বীমাযোগ্য হিত হ’ব লাগিব। ঋণী কৃষকৰ বাবে এই বীমা সংৰক্ষণ লোৱা অনিবাৰ্য্য।

## কি সংৰক্ষিত?

ফচলৰ নিম্নোলিখিত অৱস্থাসমূহ আৰু ফচলৰ সম্ভাব্য লোকচানৰ ক্ষতিশংকা যোজনাৰ অন্তৰ্গত সংৰক্ষিত।

- **সিঁচা / ৰোৱাৰ ক্ষতিশংকাৰ পৰা সুৰক্ষিত কৰা:** বীমাকৃত ক্ষেত্ৰক প্ৰতিকূল বতৰৰ বাবে সিঁচা / ৰোৱাৰ ক্ষতিশংকাৰ পৰা সুৰক্ষিত কৰি ৰখা হয়।
- **স্থায়ী ফচল:** প্ৰাকৃতিক দুৰ্য্যোগ যেনে অনাবৃষ্টি অথবা শুকান অৱস্থা, বানপানী, বা-মাৰলি, ভূমিস্খলন, ধুমুহা, চক্ৰবাত, জল-প্লাৱন, বজ্ৰপাত আৰু প্ৰতিৰোধ কৰিব নোৱাৰা অন্য ক্ষতিশংকা - বেমাৰ, কৃমিৰ পৰা হোৱা ক্ষতিৰ স্থিতিৰ বিৰুদ্ধে ব্যাপক ক্ষতিশংকা সংৰক্ষণ বীমা প্ৰদান কৰা হয়।
- **ফচল কটা / ছিঙাৰ পাছৰ ক্ষতিসমূহ:** যিবোৰ ফচল কটাৰ পিছত খেতি পথাৰত মেলি দিবলগীয়া আৰু শুকুৱাবলগীয়া হয় সেইবোৰ বতাহ, বৰষুণ আৰু আবতৰীয়া বৰষুণৰ বিশেষ দুৰ্য্যোগৰ বিৰুদ্ধে ফচল কটাৰ পিছত কেৱল ২ সপ্তাহতকৈ অধিক সময়ৰ বাবে সংৰক্ষণ উপলব্ধ।
- **স্থানীয় দুৰ্য্যোগ:** অনাবৃষ্টি, ভূমিস্খলন, জলমগ্ন, বৰফ পৰা তথা বিজুলী ঢেৰেকনীৰে বজ্ৰপাত পৰা চিনাক্ত কৰা স্থানীয় ক্ষতিশংকা ঘটাৰ ফলস্বৰূপে হোৱা হানি / ক্ষতি।

## অনা-ঋণী কৃষকসকলৰ বাবে নথিপত্ৰ

- আধাৰ কাৰ্ডৰ প্ৰতিলিপি
- সম্পূৰ্ণকৈ পূৰোৱা প্ৰস্তাৱ প্ৰপত্ৰ
- মাটি ভাগ কৰাৰ প্ৰমাণ-পত্ৰ
- নতুন খচৰাৰ প্ৰতিলিপি
- বেঙ্ক একাউন্টৰ পাছ বুকৰ প্ৰতিলিপি য’ত (IFSC Code) আৰু একাউন্টৰ নম্বৰ লিখা থাকে বা একাউন্টৰ বাতিল কৰা (Cancelled) চে’ক।
- সিঁচাৰ প্ৰমাণ পত্ৰ, কৃষি বা ৰাজহ বিভাগৰ বিষয়াৰ দ্বাৰা ইচ্ছু।



প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত অধিসূচিত ফচলসমূহৰ প্ৰিমিয়াম ৰাশি আৰু বীমাকৃত ৰাশিৰ সবিশেষ:

| ঋতু | জিলা | শস্যসমূহ | বীমা ৰাশি (টকা/হেক্টৰ) | কৃষকৰ শ্বেয়াৰ (1 হেক্টৰলৈকে) | অন্তিম তাৰিখ |
|---|---|---|---|---|---|
| ৰবি ২০১৯ | লখিমপুৰ, কাছাৰ, বাক্সা, ওদালগুৰি, কামৰূপ এম, মৰিগাঁও | গ্ৰীষ্মকালীন ধান | ৬০,১০০ | ১ হেক্টৰলৈকে বীমা কৰা খেতিয়কৰ বাবে, যিমান সংখ্যক অধিসূচিত শস্য বীমা কৰা নহওঁক কিয়, খেতিয়কৰ ভাগৰ প্ৰিমিয়াম ৰাজ্য চৰকাৰে আদায় দিব। যি কি নহওঁক, ইলেক্ট্ৰনিক ট্ৰেকিঙৰ বাবে খেতিয়কৰ পৰা ১ টকা আদায় লোৱা হ'ব। | ১৫ ফেব্ৰুৱাৰী ২০২০ |
| | লখিমপুৰ, কাছাৰ, বাক্সা, ওদালগুৰি, কামৰূপ এম, মৰিগাঁও, তিনিচুকীয়া | সৰিয়হ জাতীয় শস্য আৰু সৰিয়হ | ৩৩,৭০০ | | ৩১ ডিচেম্বৰ ২০১৯ |
| | লখিমপুৰ, কাছাৰ, বাক্সা, ওদালগুৰি, কামৰূপ এম, মৰিগাঁও, তিনিচুকীয়া | আলু | ১,৩১,৯০০ | | ৩১ ডিচেম্বৰ ২০১৯ |
| | লখিমপুৰ, কাছাৰ, বাক্সা, ওদালগুৰি, কামৰূপ এম, মৰিগাঁও | কুঁহিয়াৰ | ১,০০,৫০০ | | ১৫ ফেব্ৰুৱাৰী ২০২০ |

## সংৰক্ষণ আৰু দাবীৰ বাবে পূৰ্ব-অপেক্ষাসমূহ:

- **দুৰ্যোগৰ ব্যাপক প্ৰসাৰণ (বতৰৰ সমাপ্তিত উৎপন্নৰ আধাৰত):** 'এৰিয়া এপ্ৰোচ' ৰ আধাৰত পৰিচালিত হয় আৰু দাবীৰ গণনা ৰাজ্য চৰকাৰৰ দ্বাৰা কৰা ফচল কটাৰ প্ৰয়োগৰ ভিত্তিত কৰা হয়।
- **দাবীসমূহৰ 'অন একাউন্ট' আদায়:** এয়া সেই ফচলৰ বাবে প্ৰযোজ্য হয় য'ত বতৰত তুলনামূলকভাৱে উৎপাদন <৫০ হোৱাৰ সম্ভাৱনা থাকিলে এই ব্যৱস্থা ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰক্সি ইণ্ডিকেটৰ্চ যেনে বৰষুণৰ প্ৰতিবেদন, বতৰ সম্বন্ধীয় অন্য প্ৰতিবেদন, উপগ্ৰহৰ পৰা পোৱা চিত্ৰৰ আধাৰত ক্ষতিৰ অধিসূচনা দ্বাৰা কৰা হয়। সাধাৰণ ফচল কটা / ছিঙা আৰম্ভ হোৱাৰ পৰা ১৫ দিনৰ পূৰ্বে প্ৰতিকূল অৱস্থা হ্ৰাস হ'লে চৰ্ত প্ৰযোজ্য নহ'ব। চৰ্ত প্ৰযোজ্য হ'লে সৰ্বাধিক দেয় ৰাশি সম্ভাব্য দাবীৰ ২৫ ৰ সমান হয়।
- **সুৰক্ষা / বিফল সিঁচা / ৰোৱা / গজালিৰ দাবী:** এই ব্যাপক ঘটনাৰ কাৰণে সাধাৰণ সিঁচা ক্ষেত্ৰ বীমা একক (গাঁও পঞ্চায়ত) ৰ ৭৫% তকৈ অধিক ফচলৰ প্ৰভাৱিত হোৱাৰ বাবে। এই ব্যৱস্থা ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰক্সি ইণ্ডিকেটৰ্চ যেনে বৰষুণৰ প্ৰতিবেদন, বতৰ সম্বন্ধীয় অন্য প্ৰতিবেদন, উপগ্ৰহৰ পৰা প্ৰাপ্ত চিত্ৰৰ ভিত্তিত ক্ষতিৰ অধিসূচনাৰ দ্বাৰা ধাৰ্য্য কৰা হয়। বীমা হোৱাৰ পূৰ্ব-প্ৰতিকূল অৱস্থা হ'লে চৰ্ত প্ৰযোজ্য হয়। চৰ্ত দেয় তাৰিখৰ ভিতৰত প্ৰযোজ্য হ'ব। দাবীসমূহৰ আদায় চৰ্ত প্ৰযোজ্য হোৱা তথা যোজনা অনুসৰি চাবচিডী প্ৰাপ্তিৰ পিছত ৩০ দিনৰ ভিতৰত কৰি দিয়া হ'ব।
- **ফচল কটা / ছিঙাৰ পিছৰ লোকচান / স্থানীয় ক্ষতিশংকা:** ইয়াৰ পৰিচালন বেলেগ ব্যক্তিগত মাটিৰ আধাৰত কৰা হয়। দুৰ্যোগ হ'লে বীমা ধাৰকৰ দ্বাৰা ততালিকে বা ৭২ ঘন্টাৰ ভিতৰত জাননী দিব লাগে। জাননীত বীমাকৃত ফচল আৰু প্ৰভাৱিত ক্ষেত্ৰৰ বিৱৰণ থকা উচিত। সাক্ষী হিচাপে সম্পূৰ্ণভাৱে পূৰোৱা দাবী প্ৰপত্ৰ ৭ দিনৰ ভিতৰত জমা দিয়া উচিত।

যোজনা সম্বন্ধীয় অধিক জাননীৰ বাবে
কল কৰক: **1800 2660 700**

ইমেইল: pmfby.assam@hdfcergo.com

অনা-ঋণী কৃষকে PMFBY ম'বাইল এপ্লিকেশ্যন (App.) ৰ জৰিয়তে ফচল বীমাৰ হেতুকে নিজে নামভৰ্তি কৰিব পাৰে, যাৰ লিংক তলত দিয়া হৈছে:- https://play.google.com/store/apps/details?id=in.farmguide.farmerapp.central

এইচডিএফচি এৰ্গো জেনেৰেল ইন্সিওৰেন্স কোম্পানী লিমিটেড। আইআৰডিএআই পঞ্জী নং 146। চিআইএন: U66030MH2007PLC177117। পঞ্জীভুক্ত আৰু কৰ্পোৰেট কাৰ্য্যালয়: 1ম মহলা, এইচডিএফচি হাউচ, 165-166 বেকবে' ৰিক্লেমেশ্বন, এইচ টি: পাৰেখ মাৰ্গ, চাৰ্চগেট, মুম্বাই -400020। ক্ষতিশংকাৰ কাৰক, নিয়ম আৰু চৰ্তসমূহৰ বিষয়ে অধিক জানিবৰ বাবে অনুগ্ৰহ কৰি বিক্ৰী সমাপ্তি কৰাৰ পূৰ্বে বিক্ৰী হাতপুথি/প্ৰচপেক্টাচ মনোযোগেৰে পঢ়ক। ওপৰত দিয়া ট্ৰেড ল'গো (পণ্য চিহ্ন) এইচডিএফচি লিমিটেড আৰু এৰ্গো ইন্টাৰনেশ্যনেল এজি-ৰ সম্পত্তি, যাৰ ব্যৱহাৰ কোম্পানীৰ দ্বাৰা অনুজ্ঞাপত্ৰৰ অধীনত কৰা হৈছে। ইউআইএন: CSC -Pradhan Mantri Fasal Bima Yojana - HDE-AG-P18-25-V01-17-18, Pradhan Mantri Fasal Bima Yojana - IRDAN125P0003V01201617। ইউআইডি নং -3906।